# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 08-06-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিত্ত আৰু কৃষি বিভাগৰ সৈতে বৈঠকত মিলিত হৈ তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনিৰ ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰে। ড০ শৰ্মাই এই বৈঠকত ২০২৫-২৬ বৰ্ষত ৰাজ্যসমূহলৈ মূলধনী বিনিয়োগৰ ক্ষেত্ৰত বিশেষ সাহায্য আঁচনিৰ অগ্ৰগতি সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰে। আলোচনা কালত চৰকাৰৰ বিভিন্ন বিভাগৰ মাজত সমন্বয় সাধন কৰি জনসাধাৰণক নিৰ্দ্ধাৰিত সময়ত স্বচ্ছ আৰু নিকা ৰূপত আঁচনি ৰূপায়ণত গুৰুত্ব আৰোপ কৰা হয়। এই বৈঠকত ২০২২ বৰ্ষৰ বিত্তীয় ক্ষমতা নীতি সন্দৰ্ভত আলোচনা কৰাৰ লগতে ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধান, আৰক্ষী অধীক্ষক আৰু কামাণ্ডেণ্টসকলৰ বিত্তীয় ক্ষমতা সন্দৰ্ভতো আলোচনা কৰা হয়। বৈঠকখনত অসম আৰক্ষীৰ পদোন্নতি সম্পৰ্কীয় বিষয়ো আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে এপাৰ্টৰ দ্বিতীয় পৰ্যায়ৰ প্ৰকল্প ৰূপায়ণৰ দ্বাৰা ৰাজ্যখনৰ গ্ৰামাঞ্চলত ৰূপান্তৰ সাধনৰ লক্ষ্যৰে যুগুত কৰা এটা প্ৰতিবেদনো প্ৰত্যক্ষ কৰে। তেওঁ যোগান শৃংখলা শক্তিশালী কৰি কৃষকসকলৰ উপাৰ্জন বৃদ্ধি আৰু স্বনিৰ্ভৰশীলতা অৰ্জনৰ ক্ষেত্ৰতো গুৰুত্ব দিয়ে। মুখ্যমন্ত্ৰী এখন জিলা এবিধ সামগ্ৰী আৰ্হিক জনপ্ৰিয় কৰি বজাৰসমূহৰ মাজত উন্নত যোগাযোগ ব্যৱস্থ গঢ়ি তুলিবলৈও বিষয়াসকলক পৰামৰ্শ দিয়ে। তদুপৰি ৰাজ্যখনৰ উন্নয়নত বিশেষভাৱে অৰিহনা যোগোৱা চাহ, বাঁহ, অগৰ, নেমু, মৌ, সৰিয়হ আৰু ধান খেতিৰ সম্ভাৱনীয়তা বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ তেওঁ পৰামৰ্শ দিয়ে। এই বৈঠকত বিত্ত মন্ত্ৰী অজন্তা নেওগ আৰু কৃষি মন্ত্ৰী অতুল বৰাৰ লগতে বিভাগীয় শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

ooooo

ৰাজ্যসভাৰ নিৰ্বাচনৰ অসমৰ আসন দুখনৰ বাবে ৰাজ্যৰ বিৰোধী দল তথা কংগ্ৰেছে প্ৰাৰ্থিত্ব আগ নবঢ়ায়। বিৰোধীৰ পক্ষত নিৰ্বাচনত জয়ী হ'ব পৰাকৈ বিধায়ক নাই বাবেই ৰাজ্যসভাৰ নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা নকৰে। বৰ্তমান দুয়োখন আসনেই শাসকীয় মিত্ৰজোঁটৰ দখলত আছে। বিৰোধীয়ে প্ৰাৰ্থিত্ব নিদিয়াৰ সিদ্ধান্তই শাসকীয় মিত্ৰজোঁটৰ দুয়োগৰাকী প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাতো স্পষ্ট হৈ পৰিল। আসন দুখনৰ নিৰ্বাচনৰ বাবে কাইলৈ মনোনয়ন দাখিলৰ অন্তিম দিন। কাইলৈ আবেলি ৩ বজাৰ পূৰ্বে প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিব লাগিব। ইতিমধ্যে শাসনাধিস্থিত এন ডি এই অহা ১৯ জুনত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনৰ অসমৰ দুখন আসনৰ বাবে প্ৰাৰ্থী নাম চূড়ান্ত কৰিছে। বিজেপিয়ে কনাড পুৰকায়স্থ আৰু অগপই পুনৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। উল্লেখযোগ্য যে বৰ্তমানৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মিছন ৰঞ্জন দাসৰ কাৰ্যকাল ১৪ জুনত অন্ত পৰিব।

ooooo

অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিবেশন কাইলৈ অনুষ্ঠিত হ'ব। বিধানসভাৰ বিশেষ অধিবেশনত ডিব্ৰুগড় বিমান বন্দৰৰ নাম ড০ ভূপেন হাজৰিকা নামেৰে নামকৰণ সম্পৰ্কত সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। এই অধিবেশনতে ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন সম্পৰ্কে প্ৰস্তাৱ গ্ৰহণৰো সম্ভাৱনা আছে। ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীগোটৰ বৈঠকৰ সিদ্ধান্ত অনুসৰি সদনে এই প্ৰস্তাৱ গ্ৰহণ কৰিব। এদিনীয়া বিশেষ অধিবেশনত প্ৰশ্নোত্তৰ শিতান নাথাকে। সদনৰ শূন্যকালীন ঘণ্টাতো বিভিন্ন বিষয়ৰ ওপৰত আলোচনা হ'ব। সম্প্ৰতি প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰা গৌৰৱ গগৈয়ে বিধানসভাৰ বিশেষ অধিবেশনৰ প্ৰৱেশ পত্ৰ বিচাৰি বিধানসভাৰ অধ্যক্ষক আবেদন জনাইছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীৰ আবেদনৰ ভিত্তিত অধ্যক্ষগৰাকীয়ে প্ৰৱেশ পত্ৰ প্ৰদান কৰিছে। অধ্যক্ষৰ গেলাৰীৰ পৰা গৌৰৱ গগৈয়ে দৰ্শক হিচাপে বিধানসভাৰ কাৰ্যক্ৰমণিকা চাব পাৰিব।

ooooo

গুৱাহাটীৰ ৰূপনগৰত শুকুৰবাৰে নিশা হোৱা ভূমিস্খলনৰ ফলত মৃত্যু হোৱা মনেশ্বৰ ৰাজবংশীৰ পৰিয়াললৈ চৰকাৰে ৪ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়াইছে। ৰাজ্য চৰকাৰৰ গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি দুপৰীয়া ভাগত প্ৰয়াত মনেশ্বৰ ৰাজবংশীৰ বাসগৃহত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবৰ্গৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ হৈ প্ৰয়াত ৰাজবংশীৰ পৰিয়ালবৰ্গক ৪ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়ায়। মন্ত্ৰীগৰাকীয়ে ৰূপনগৰৰ ভূমিস্খলন হোৱা অঞ্চলো পৰিদৰ্শন কৰি ভূমিস্খলন প্ৰৱন অঞ্চলটোৰ সোমবাৰৰ পৰা ভূতাত্বিক বিভাগৰ জৰিয়তে জৰীপ কৰাবলৈ জিলা আয়ুক্তক নিৰ্দেশ দিয়ে। শুকুৰবাৰৰ নিশা ভূমিস্খলন হোৱা স্থানৰ সমীপত পুনৰ ভূমিস্খলন হোৱাৰ আশংকা অঞ্চলটোৰ ৯টা পৰিয়ালক চৰকাৰে আশ্ৰয় শিবিৰত থকাৰ ব্যৱস্থা কৰি দিছে। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই শিবিৰ পৰিদৰ্শন কৰি সুবিধা-অসুবিধাৰ বুজ লোৱাৰ লগতে প্ৰশাসনক প্ৰয়োজনীয় নিৰ্দেশনা দিয়ে।

ooooo

গোৱালপাৰা জিলাৰ বাদুংডুপ্পা কলা কেন্দ্ৰৰ প্ৰতিষ্ঠাপক বিশিষ্ট নাট্যকৰ্মী শুক্ৰাচাৰ্য ৰাভাৰ সপ্তম মৃত্যু বাৰ্ষিকীত আজি কলাকেন্দ্ৰৰ বাকৰিত দিনজোৰা কাৰ্যসূচী অনুষ্ঠিত হয়। আজি পুৱাই শুক্ৰাচাৰ্য ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি নাট্যকৰ্মীগৰাকীৰ সহধৰ্মিনী চিনা ৰাভাই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানৰ অংশ হিচাপে ৰাভা জনগোষ্ঠীৰ ফাৰকান্তি নৃত্য আৰু নাম-কীৰ্তনৰ আয়োজন কৰা হয়। বিয়লি টো-পয়দম নামৰ ৰাভা ভাষাৰ এখন নাটক পৰিৱেশনেৰে নাট্য কৰ্মীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হৈছে।

ooooo

সমাপ্ত